# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ২৯/২০২৩**

## মীন, পশু চিকিৎসা আৰু পশুপালন, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান, জনস্বাস্থ্য কাৰিকৰী বিভাগত ২১০ গৰাকী প্ৰাৰ্থীক মুখ্যমন্ত্ৰীয়ে প্ৰদান কৰিলে নিযুক্তিপত্ৰ

## নতুনকৈ নিযুক্তিপ্ৰাপ্ত যুৱক-যুৱতীসকলক উৎসৰ্গিত মনোভাৱেৰে জনসাধাৰণলৈ সেৱা আগবঢ়াবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান

### স্বাস্থ্য বিভাগৰ দৰে পশুপালন আৰু পশু চিকিৎসা বিভাগকো নতুন ৰূপ দিয়া হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২২ ফেব্ৰুৱাৰী ঃ** আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এক অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মীন, পশু চিকিৎসা আৰু পশুপালন, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান, জনস্বাস্থ্য কাৰিকৰী বিভাগত ২১০ গৰাকী প্ৰাৰ্থীক নিযুক্তিপত্ৰ প্ৰদান কৰে।

উল্লেখ্য যে মুখ্যমন্ত্ৰীয়ে অনুষ্ঠানত ১৬১ গৰাকী পশু চিকিৎসা বিষয়া, ৩২ গৰাকী মীন উন্নয়ন বিষয়াৰ উপৰি উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগত ১৩ গৰাকী আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ৪ গৰাকীক নিযুক্তি পত্ৰ প্ৰদান কৰে।

এই উপলক্ষে ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যোগ্য আৰু দক্ষ যুৱক-যুৱতীসকলক নিযুক্তি দিয়াৰ জৰিয়তে ৰাজ্যৰ মীন, পশুপালন আৰু পশু চিকিৎসা খণ্ডত জনসেৱাৰ পৰিসৰ অধিক বৃদ্ধি কৰিব। মীন, পশুপালন আৰু পশু চিকিৎসা খণ্ডত এক গুৰুত্বপূৰ্ণ খণ্ড যিয়ে ৰাজ্যৰ বিকাশৰ গতি অধিক ত্বৰান্বিত কৰাৰ সম্ভাৱনীয়তা আছে বুলি উল্লেখ কৰি কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই খণ্ডসমূহত অধিক গতিশীলতা অনাৰ বাবে ৰাজ্য চৰকাৰে বহু পদক্ষেপ গ্ৰহণ কৰিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে পশুপালন আৰু পশু চিকিৎসা বিভাগক স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ দৰে নতুন ৰূপ প্ৰদান কৰিবলৈ ৰাজ্য চৰকাৰে প্ৰয়াস চলাই আহিছে। তেওঁ কয় যে ৰাজ্যৰ পশুধনৰ চিকিৎসাৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে পশু চিকিৎসা বিষয়াৰ নতুন পদ সৃষ্টি কৰা হ'ব।

মুখ্যমন্ত্ৰীয়ে নৱনিযুক্ত বিষয়াসকলক নিষ্ঠাৰে সেৱা আগবঢ়াবলৈ আৰু যি স্থানত কৰ্মত নিয়োজিত হৈ থাকে সেই ঠাইৰ জনসাধাৰণৰ সৈতে সুসম্পৰ্ক গঢ়ি তুলিবলৈ কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে সমাজৰ বাবে এক আৰ্হি হিচাপে গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰে। নৱ নিযুক্ত বিষয়াসকলক উৎসৰ্গিত মনোভাবেৰে কাম কৰি সমাজৰ প্ৰয়োজনীয়তা পূৰণৰ দিশত বিশেষ ভূমিকা ল'ব লাগিব বুলিও তেওঁ কয়।

নতুন নিযুক্তিত সন্তুষ্টি প্ৰকাশ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ১ লাখ চৰকাৰী চাকৰিত যুৱক-যুৱতীসকলক নিযুক্তি প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে দিয়া প্ৰতিশ্ৰুতি পূৰণৰ দিশতো তেওঁৰ চৰকাৰে যথেষ্ট অগ্ৰগতি লাভ

কৰিছে।

কৃষি, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী অতুল বৰা, মীন আদি বিভাগৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্যই ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত শক্তি আৰু সমবায় আদি বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোচা, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা আদি বিভাগৰ মন্ত্ৰী যোগেন মহন, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান আদি বিভাগৰ মন্ত্ৰী বিমল বড়া, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ আয়ুক্ত সচিব মনীষ ঠাকুৰ প্ৰমুখ্যে উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ**
**২২/২/২০২৩**